অধ্যায় ৪ ঃ স্বপ্নবাসবদত্তম্ (চতুর্থ অংক)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ চতুর্থ অংকৰ নির্বাচিত অংশৰ সংস্কৃত পাঠ
৪.৩.১ প্ৰৱেশকৰ পিছৰ পৰা ৰজা আৰু বিদূষকৰ আগমন পর্য্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ
৪.৩.২ ৰজা আৰু বিদূষকে উপবেশন কৰাব পৰা চতুর্থশ্লোকপর্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ
৪.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ
৪.৪.১ প্ৰবেশকৰ পিছৰ পৰা ৰজা আৰু বিদূষকৰ আগমন পর্যন্ত
৪.৪.২ ৰজা আৰু বিদূষকে উপবেশন কৰাৰ পৰা চতুর্থ শ্লোক পর্যন্ত
৪.৫ চতুর্থ অংকৰ শ্লোকৰ ব্যাখ্যাৰ আৰ্হি
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বপ্নবাসবদত্তম্ নামৰ নাটকখনিৰ চতুর্থ অংকটিৰ কেইটিমান দৃশ্যৰ মূল সংস্কৃত পাঠ সম্পর্কে জানিব পাৰিব
- উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদসমূহো স্পষ্টৰূপত আয়ত্ব কৰিব পাৰিব
- এই অংকত থকা শ্লোক কেইটিমানৰ ব্যাখ্যাৰ নমুনা লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি ভাসৰ দ্বাৰা ৰচিত ‘স্বপ্নবাসবদত্তম্’ নাটকখনিৰ দ্বিতীয় আৰু তৃতীয় অংক দুটাৰ বিষয়ে জ্ঞান লাভ কৰিছে। সেই অংক দুটাৰ মূল সংস্কৃত পাঠৰ লগতে অসমীয়া অর্থসমূহো আয়ত্ব কৰিব পাৰিছে। এই অংক দুটাৰ গুৰুত্ব সম্পর্কেও অৱগত হৈছে।

এই অধ্যায়ত আপুনি নাটকখনৰ চতুর্থ অধ্যায়ৰ বিশেষ কেইটিমান অংশৰ মূল সংস্কৃত পাঠসমূহৰ লগত পৰিচিত হ’ব পাৰিব। তদুপৰি সেইসমূহৰ অসমীয়া অর্থসমূহৰো জ্ঞান লাভ

কৰিব পাৰিব। এই অংকত থকা দুটিমান শ্লোকৰ ব্যাখ্যাৰ নমুনাও লাভ কৰিব পাৰিব।

৪.৩ চতুর্থ অংকৰ নির্বাচিত অংশৰ সংস্কৃত পাঠ

৪.৩.১ প্রবেশকৰ পিছৰ পৰা ৰজা আৰু বিদূষকৰ আগমন পর্য্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

প্ররেশকঃ

(ততঃ প্রবিশতি সপৰিবাৰা পদ্মাৱতী আৱন্তিকাবেষধাৰিণী বাসবদত্তা চ।)

চেটী— কিং নিমিত্তং ভর্তৃদাৰিকা প্রমদবনমাগতা?

পদ্মাৱতী— হলা ! তে তাবচ্ছেফালিকাগুল্মকাঃ পশ্যামি কুসুমিতা বা নবেতি।

চেটী— ভর্তৃদাৰিকে ! তে কুলুমিতা না প্রৱালান্তৰিতৈৰিৱ মৌক্তিকলম্বকৈৰাচিতাঃ কুসুমৈঃ।

পদ্মাৱতী — হলা ! যদ্যেৱং কিমিদানীং বিলম্বসে?

চেটী— তেন হ্যস্মিঞ্ শিলাপট্টকে মুহূর্তকমুপবিশতু ভর্তৃদাৰিকা।

পদ্মাৱতী— আর্যে ! কিমত্রোপবিশাবঃ?

বাসবদত্তা— এবং ভৱতু।

(উভে উপবিশতঃ)

চেটী— (তথা কৃত্বা।) পশ্যতু পশ্যতু ভর্তৃদাৰিকা অর্ধমনঃশিলা— পট্টকৈৰিব শেফালিকাকুযুমৈঃ পূৰিতং মেহঞ্জলিম্।

পদ্মাৱতী— (দৃষ্ট্বা) অহো ! বিচিত্রতা কুসুমানাম্। পশ্যতু পশ্যত্বার্যা।

বাসবদত্তা— অহো দর্শনীয়তা কুসুমানাম্।

চেটী— ভর্তৃদাৰিকে ! কিং ভূয়োহৱচেয্যামি?

পদ্মাৱতী— হলা ! মা মা ভূয়োহৱচিত্য।

বাসবদত্তা— হলা ! কিংনিমিত্তং বাৱয়সি?

পদ্মাৱতী— আর্যপুত্রেণ ইহাগত্যেমাং কুসুমসমৃদ্ধিং দৃষ্ট্বা সন্মানিতা ৱয়ম্।

বাসবদত্তা— হলা ! প্রিয়াস্ত ভর্তা।

পদ্মাৱতী— আর্যে ! ন জানামি। আর্যপুত্রেণ বিৱহিতোৎকণ্ঠিতা ভৱামি।

বাসবদত্তা— (আত্মগতম্) দুষ্কৱং খল্ৱহং কৱোমি। ইয়মপি নামৈৱং মন্ত্রয়তে।

চেটী— অভিজাতং খলু ভর্তৃদাৰিকয়া মন্ত্রিতং প্রিয়ো মে ভর্তেতি।

পদ্মীৱতী— একঃ খলু মে সন্দেহঃ।

বাসবদত্তা— কিং কিম্?

পদ্মাৱতী— যথা মমার্যপুত্রস্তথৈবার্যায়া বাসবদত্তায়া ইতি।

বাসবদত্তা— অতোহপ্যধিকম্।

পদ্মাৱতী— কথং ত্বং জানাসি?

বাসবদত্তা— (আত্মগতম্) হম্। আর্যপুত্র পক্ষপাতেনাতিক্রান্তঃ সমুদাচাৰঃ। এবং তাবদ্ ভণিষ্যামি। যদ্যল্পঃ স্নেহঃ সা স্বজনং ন পৰিত্যজতি।

পদ্মাৱতী— ভৰিতব্যম্।

চেটী— ভর্তৃদাৰিকে ! সাধু ভর্তাৰং ভণ অহমপি বীণা শিক্ষিষ্য ইতি।

পদ্মাৱতী— উক্তো ময়ার্যপুত্রঃ।

বাসবদত্তা— ততঃ কিং ভনিতম্?

পদ্মাৱতী— অভণিত্বা কিঞ্চিদ্ দীর্ঘং নিঃশ্বস্য তূষ্ণীকঃ সংবৃত্তঃ।

বাসবদত্তা— ততস্ত্বং কিমিব তর্কয়সি?

পদ্মাৱতী— তর্কয়াম্যামার্যা বাসবদত্তায়া গুণান্ স্মৃত্বা দক্ষিণতয়া সমাগ্রতো ন ৰোদিতীতি।

বাসবদত্তা— (আত্মগতম্) ধন্যা খল্বস্মি যদ্যেৱং সত্যং ভৱেৎ।

৪.৩.২ ৰজা আৰু বিদূষকে উপবেশন কৰা পৰা চতুর্থশ্লোকপর্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

(উভাবুপবিশতঃ।)

ৰাজা— (অৱলোক্য।)

পাদাক্রান্তানি পুষ্পানি মৌষ্ম চেদং শিলাতলম্।
নূনং কাচিদিহাসীনা মাং দৃষ্ট্বা সহসা গতা।

চেটী— ভর্তৃদাৰকে ! ৰুদ্ধাঃ খলু স্মো বয়ম্।

পদ্মাৱতী— দিষ্ট্যোপবিষ্ট আর্য্যপুত্রঃ।

বাসবদত্তা— (আত্মগতম্।) দিষ্ট্যা প্রকৃতিস্থশৰীৰ আর্যপুত্রঃ।

চেটী— ভর্তৃদাৰিকে ! সাশ্রুপাতা খল্বার্যাযা দৃষ্টিঃ।

বাসবদত্তা— এষা খলু মধুকৰাণামবিনয়াৎ কাশকুসুমৰেণুনা পতিতেন সোদকা যে দৃষ্টিঃ

পদ্মাৱতী— যুজ্যতে।

বিদূষকঃ — ভো ! শূন্যং খল্বিদং প্রমদবনম্। প্রষ্টব্যং কিঞ্চিদস্তি। পৃচ্ছামি ভৱন্তম্।

ৰাজা — ছন্দতঃ।

বিদূষকঃ— কা ভৱতঃ প্রিয়া তদানীং তত্রভৱতী বাসবদত্তা ইদানীং পদ্মাবতী বা?

ৰাজা— কিমিদানীং ভৱান্ মহতি বহুমানসংকটে মাং ন্যস্যতি?

পদ্মাৱতী— হলা যাদৃশে সংকটে নিক্ষিপ্ত আর্যপুত্রঃ।

বাসবদত্তা— অহং চ মন্দভাগা।

বিদূষকঃ— স্বৈৰং স্বৈৰং ভণতু ভৱান্। একোপৰতা অপৰাসন্নিহিতা।

ৰাজা— বয়স্য ! ন খলু ন খলু ব্রূয়াম্। ভবাংস্তু মুখৰঃ।

পদ্মাৱতীঃ — ভোঃ সত্যেন শপামি কস্না অপি নাখ্যাস্যে। এষা সংদষ্টা মে জিহ্বা।

ৰাজা— নোৎসহে সখে ! বক্তুম্।

পদ্মাৱতী— অহো ! অস্য পুৰোভাগিতা। এতাৱতা হৃদয়ং ন জানাতি।

বিদূষকঃ — কিং ন ভণতি মম ? অনাখ্যায়াস্মাচ্ছিলাপট্টকান্ন শক্যমেকপদমপি গন্তুম্। এষ ৰুদ্ধোহত্রভৱান্।

ৰাজা— কিং বলাৎকাৰেণ ?

বিদূষকঃ — আম্ ! বলাৎকাৰেণ।

ৰাজা— তেন হি পশ্যামস্তাৱৎ।

বিদূষকঃ — প্রসীদতু প্রসীদতু ভৱান্। ৱয়স্যভাৱেন শাপিতোহসি যদি সত্যং ন ভণাসি।

ৰাজা — কা গতিঃ ? শ্রূয়তাম্

পদ্মাৱতী বহুমতা মম যদ্যপি ৰূপশীলমাধুর্যৈঃ।
বাসবদত্তাবদ্ধং ন তু তাৱন্মে মনো হৰতি।। ৪।।

৪.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

৪.৪.১ প্রবেশকৰ পিছৰ পৰা ৰজা আৰু বিদূষকৰ আগমন পর্যন্ত

(ইয়াৰ পিছত পৰিজনেৰে সৈতে পদ্মাৱতী আৰু আৱন্তিকাৰ বেশ ধাৰণ কৰা বাসৱদত্তাই প্রবেশ কৰে)

চেটী — (তেনেদৰে কৰি) ৰাজকুমাৰী। চোৱা, অর্দ্ধমনঃ শিলাখণ্ডৰ দৰে শেৱালী ফুলেৰে মোৰ **অঞ্জলি** ভৰি গৈছে।

পদ্মাৱতী — চাই লৈ) আঃ ! ফুলৰ কি বিচিত্রতা ! আর্যা, চোৱা ! চোৱা !

বাসবদত্তা — আঃ ! ফুলৰ কি সৌন্দর্য !

চেটী — ৰাজকুমাৰী ! ফুল আৰু অধিক সংগ্রহ কৰোনে ?

পদ্মাৱতী — সখী আৰু বেছি নিচিঙিবা।

বাসবদত্তা — সখী ! কি কাৰণে বাধা প্রদান কৰিছা ?

পদ্মাৱতী — আর্যপুত্র যেতিয়া ইয়ালৈ আহিব আৰু এই সমৃদ্ধ পুষ্পসমূহ দেখিব তেতিয়া মই **সন্মানিতা হম**।

বাসবদত্তা — সখী ! পতি তোমাৰ প্রিয়নে ?

পদ্মাৱতী — আর্যা ! নাজানো। (কিন্তু) আর্যপুত্র অবিহনে ব্যাকুল হৈ পৰো।

বাসবদত্তা — (স্বগত) নিশ্চিতভাৱে মই কঠিন কার্য কৰি আছো। এওঁ ও (পদ্মাৱতী) একেদৰেই কৈছে।

চেটী — নিশ্চয়কৈ শালীনতা ৰাখি ৰাজকুমাৰীয়ে কৈছে— 'পতি মোৰ প্রিয়।'

পদ্মাৱতী — মোৰ এটাই সন্দেহ আছে।

বাসবদত্তা — কি ? কি ?

অঞ্জলি - হাতৰ তলুৱাৰ দুই মূৰ লগ লগাই সৃষ্টি কৰা খোল বা গাঁত।

সন্মানিতা হম — পদ্মাৱতীয়ে আশা কৰিছিল যে তেওঁৰ প্রিয় ফুলসমূহ ফুলি থকা দেখিলে ৰজাই তেওঁক অভিনন্দন জনাব।

পদ্মাৱতী — যিদৰে আর্যপুত্র মোৰ (প্রিয়), সেইদৰে আর্যা বাসবদত্তাৰো (আছিলনে বাৰু)

বাসবদত্তা — তাতকৈও অধিক।

পদ্মাৱতী — তুমি কেনেদৰে জানিলা?

বাসবদত্তা — (স্বগত) অঃ ! আর্যপুত্রৰ প্রতি থকা **পক্ষপাতিত্বৰ** বাবে মই আচাৰ অতিক্রম কৰিলো। মই তেন্তে এনেদৰে কওঁ। (প্রকাশ কৰি) যদি স্নেহ কম হ'লহেঁতেন (তেন্তে) তেওঁ আত্মীয়-স্বজনক ত্যাগ নকৰিলেহেঁতেন।

পদ্মাৱতী — ঠিক আছে।

চেটী — ৰাজকুমাৰী ! পতিক কোৱাগৈ— মইও বীণ শিকিম।

পদ্মাৱতী — মই আর্যপুত্রক কৈছিলো।

বাসবদত্তা — তেওঁ তেতিয়া কি ক'লে?

পদ্মাৱতী— একো নকৈ দীঘলকৈ উশাহ লৈ মনে মনে ৰ'ল।

বাসবদত্তা — তাৰ কাৰণ তুমি কি বুলি ভাবিছা?

পদ্মাৱতী — ভাবিছো, তেওঁ আর্যা বাসবদত্তাৰ গুণসমূহক স্মৰণ কৰিছিল, (কিন্তু) শালীনতাৰ বাবে মোৰ সন্মুখত কন্দা নাছিল।

বাসবদত্তা — যদি এয়া সত্য হয়, মই ধন্য।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ পদ্মাৱতীয়ে প্রমদ বনত কাৰ কাৰ সৈতে প্রবেশ কৰিছিল?

.....

.....

প্রশ্ন নং ২ঃ ফুল কোনে সংগ্রহ কৰিবলৈ গৈছিল?

.....

.....

প্রশ্ন নং ৩ঃ কিহৰ বাবে বাসবদত্তাই আচাৰ অতিক্রম কৰা বুলি ধাৰণা কৰিছিল।


.....

.....

প্রশ্ন নং ৪ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

(ক) পদ্মাৱতীয়ে ফুলৰ সৌন্দর্যত মুগ্ধ হৈ চেটীক অধিক ফুল সংগ্রহ কৰিবলৈ কৈছিল।

.....



পক্ষ পাতিত্ব — ইয়াত বাসবদত্তাৰ তেওঁৰ স্বামীৰ প্রতি থকা অপৰিসীম স্নেহতেই পক্ষপাতিত্ব শব্দই নির্দেশ কৰিছে।

৪.৪.২ ৰজা আৰু বিদূষকে উপবেশন কৰাৰ পৰা চতুর্থ শ্লোক পর্যন্ত

(দুয়ো বহি লৈ)

ৰজা— (চাই) ফুলসমূহ ভৰিৰ খোজত আক্রান্ত হৈছে আৰু এই শিলাখন গৰম হৈ আছে। নিশ্চয়কৈ কোনোবা স্ত্রী ইয়াত বহি থকা অৱস্থাত মোক দেখাৰ লগে লগে আঁতৰি গৈছে। (৩)

চেটী — ৰাজকুমাৰী। আমি **অৱৰুদ্ধ** হৈ গৈছো।



অৱৰুদ্ধ — প্রাপ্ত হৈ ওলাব নোৱৰা।

পদ্মাৱতী — ভাগ্যক্রমে আর্যপুত্রই বহি লৈছে।

বাসবদত্তা — (স্বগত) ভাগ্যক্রমে আর্যপুত্র সুস্থ হৈ আছে।

চেটী — ৰাজকুমাৰী ! আর্যাৰ চকুৰ পৰা চকু পানী ওলাই আছে।

বাসবদত্তা — মধুকৰসমূহৰ ধৃষ্টতাৰ বাবে পতিত হোৱা কাশপুষ্পৰ ৰেণুসমূহৰ দ্বাৰা মোৰ চকু সজল হৈ পৰিছে।

পদ্মাৱতী — থিক আছে।

বিদূষক — মহাৰাজ ! এই প্রমদবন শূন্য। মই আপোনাক কিবা সুধিব বিচাৰিছো।

ৰজা — স্বচ্ছন্দে সোধা।

বিদূষক — আপোনাৰ বাবে কোনগৰাকী প্রিয়, তেতিয়াৰ দেবী বাসবদত্তা অথবা এতিয়াৰ দেৱী পদ্মাৱতী?

ৰজা — কি তুমি মোক এক ডাঙৰ সমাদৰ সংকটত পেলালা?

পদ্মাবতী — সখী ! কেনে সংকটত আর্যপুত্র পৰিল।

বাসবদত্তা — (স্বগত) আৰু মই অভাগিনী !

বিদূষক — নিঃসংকোচে কওঁক আপুনি। এগৰাকীৰ মৃত্যু হৈছে আৰু আনগৰাকী ওচৰত নাই।

ৰজা — মিত্র ! নহয়, নহয়। মই নকওঁ। তুমি গোপন কথা কৈ দিয়া।

পদ্মাবতী — ইয়াৰ দ্বাৰা আর্যপুত্রই কৈয়েই দিলে।

বিদূষক — মহাৰাজ ! সত্যৰ শপত। কাকোৱেই নকওঁ। এয়া মোৰ জিভা কামুৰি দিলো।

ৰজা — মিত্র ! ক'বলৈ উৎসাহিত হ'ব পৰা নাই।

পদ্মাবতী — আঃ ! এওঁৰ আকোৱগোজালি। ইমানখিনি কোৱাৰ পিছতো সি (তেওঁৰ) হৃদয়ক বুজি পোৱা নাই।

বিদূষক— কি? মোক নকয়? নক'লে এই শিলাসনৰ পৰা এখোজো লৰচৰ হ'ব নোৱাৰে। এয়া আপুনি অৱৰুদ্ধ হৈ গ'ল।

ৰজা— কি? বলপূর্বক।

বিদূষক— হয় ! বলপূর্বক।

ৰজা — তেন্তে চাই লওঁ।

বিদূষক — প্রসন্ন হওঁক, প্রসন্ন হওঁক। বন্ধুত্বৰ শপত, যদি সত্য কথাটো নকয়।

ৰজা — উপায় নাই, শুনা,

পদ্মাৱতী, যদিও তেওঁৰ সৌন্দর্য, চৰিত্র আৰু মাধুর্যৰ দ্বাৰা মোৰ সন্মানৰযোগ্য।

তথাপি তেওঁ বাসবদত্তাত নিবন্ধ মোৰ অন্তৰ জয় কৰিব পৰা নাই। (৪)



জানি থোৱা ভাল

সংস্কৃত নাটকত বিদূষক চৰিত্রটি অতি উল্লেখযোগ্য। এই চৰিত্রটি শৃঙ্গাৰ ৰসত নায়কৰ মধ্যম শ্রেণীৰ সহায়কসকলৰ ভিতৰত অন্যতম। পুষ্পবাচক, বসন্তকালবাচক আদি শব্দেৰে বিদূষকৰ নামকৰণ কৰা হয়। অঙ্গী-ভঙ্গী, সাজ-পাৰ আৰু কথা-বতৰাৰে তেওঁ নাটকত হাস্যৰসৰ সৃষ্টি কৰে। তেওঁ কলহপ্রিয় আৰু ভোজনবিলাসী।

অভিজ্ঞানশকুন্তলম্ নাটকৰ বিদূষকৰ নাম মাধব্য আৰু স্বপ্নবাসবদত্তম্ নাটকৰ বিদূষকৰ নাম বসন্তক। সাহিত্যদর্পণ নামৰ অলঙ্কাৰ শাস্ত্রত বিদূষকৰ লক্ষণ এনেদৰে দিয়া হৈছে—

কুসুমবসন্তাদ্যভিধঃ কর্মবপুর্বেশভাষাদ্যৈঃ।
হাসকৰঃ কলহৰতির্বিদূষকঃ স্যাৎ স্বকর্মৰতঃ।।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ৰজা উদয়নে কাৰ সৈতে প্রমদবনত প্রবেশ কৰিছিল?

.....

.....

প্রশ্ন নং ৬ঃ বাসবদত্তাই কিহৰ বাবে চকুপানী ওলোৱা বুলি কৈছিল?

.....

.....

প্রশ্ন নং ৭ঃ ৰজাৰ প্রতি বিদূষকে সোধা প্রশ্নটি কি আছিল?

.....

.....

প্রশ্ন নং ৮ঃ ৰজাই যি শ্লোকেৰে বিদূষকে সোধা প্রশ্নটিৰ উত্তৰ দিছিল সেই শ্লোকটি মুখস্থ লিখা।

.....

.....

৪.৫ চতুর্থ অংকৰ শ্লোকৰ ব্যাখ্যাৰ আৰ্হি

১) পদ্মাৱতী বহুমতা মম যদ্যপি ৰূপশীলমাধুৰ্যৈঃ।
বাসবদত্তাবদ্ধং ন তু তাৱন্মে মনো হৰতি।। ৪.৪

এই শ্লোকটি মহাকবি ভাসৰ দ্বাৰা বিৰচিত নাটক 'স্বপ্নবাসবদত্তম্'ৰ পৰা তুলি দিয়া হৈছে।

বাসবদত্তা আৰু পদ্মাৱতীৰ ভিতৰত কোন অধিক প্ৰিয়া বুলি বিদূষকে সোধা প্ৰশ্নৰ উত্তৰৰূপে ৰজা উদয়নে উক্ত শ্লোকটি ব্যক্ত কৰিছিল।

বাসবদত্তা ৰজা উদয়নৰ প্ৰথমা পত্নী আছিল। বাসবদত্তাৰ মৃত্যু হোৱা বুলি সকলোৰে মাজত প্ৰচাৰ হোৱাৰ পিছত তেওঁৰ পদ্মাৱতীক বিবাহ কৰাইছিল। এবাৰ বিদূষকে সুবিধা বুজি কোনগৰাকী পত্নী ৰজাৰ অধিক প্ৰিয় জানিব বিচাৰিছিল। ৰজাই বিদূষকৰ আগত প্ৰকাশ কৰি কৈছিল যে দুয়োগৰাকীয়েই তেওঁৰ স্নেহৰ পাত্ৰী। কিন্তু বিদূষকে ৰজাক অধিক স্পষ্টৰূপত উত্তৰটো দিবলৈ অনুৰোধ জনাইছিল। ৰজাই তেতিয়া প্ৰজা বিদূষকক পদ্মাৱতীৰ বিষয়ে মন্তব্য কৰি কৈছে যে এগৰাকী নাৰীৰ যিসমূহ গুণ থকা উচিত সেই সকলোবোৰ গুণেৰেই পদ্মাৱতী বিভূষিতা আছিল। তেওঁ আছিল দেখিবলৈ মনোমোহা আৰু সুচৰিত্ৰসম্পন্না। লগতে তেওঁ আছিল মাধুৰ্যমণ্ডিতা। কিন্তু ইমানবোৰ গুণসম্পন্না হোৱা সত্বেও বাসবদত্তাই ৰজাৰ মন যি ধৰণে হৰণ কৰিছিল পদ্মাৱতীয়ে তাৰ সমকক্ষ হ'ব পৰা নাই। অৰ্থাৎ পদ্মাৱতীয়ে ৰজাৰ মনত সেই স্থান অধিকাৰ কৰিব পৰা নাই যি স্থানত পূৰ্বে বাসবদত্তা অধিষ্ঠিতা হৈছিল। এনেদৰে শ্লোকটিৰ জৰিয়তে বিদূষকে সোধা প্ৰশ্নৰ সমিধান ৰজা উদয়নে প্ৰদান কৰিছিল।

২) ইয়ংবালা নবোদ্বাহা সত্যং শ্ৰুত্বা ব্যথাং ব্ৰজেৎ।
কামং দীৰস্বভাৱেয়ং স্ত্ৰীস্বভাৱস্তু কাতৰঃ।। ৪.৮

উক্ত শ্লোকটি মহাকবি ভাসৰ দ্বাৰা বিৰচিত 'স্বপ্নবাসবদত্তম্' নামৰ নাটকখনৰ চতুর্থ অংকৰ পৰা উদ্ধৃত।

ৰজা উদয়নে প্ৰমববনত এদিন তেওঁৰ মৃতা পত্নী বাসবদত্তাক স্মৰণ কৰি চকুলো টুকিছিল। সেই সময়ত তাত পদ্মাৱতীৰ আগমন হোৱাত তেওঁৰ চকুপানী ওলোৱাৰ সত্য কাৰণটো পদ্মাৱতীক নক'বলৈ স্থিৰ কৰি এই শ্লোকটো বিদূষকৰ আগত ব্যক্ত কৰিছিল।

ৰজা উদয়নৰ প্ৰথমা পত্নী বাসবদত্তা ৰজাৰ অতিশয় স্নেহৰশী পাত্ৰী আছিল। সেয়ে তেওঁৰ মৃত্যুৰ কথা মনলৈ আহিলে ৰজাই নিজকে সম্বৰণ কৰিব নোৱাৰিছিল আৰু তেওঁ চকুলো টুকিছিল। পদ্মাৱতীক বিবাহ কৰোৱাৰ পিছত এদিন প্ৰমদবনত ৰজাই বাসবদত্তাৰ বাবে চকুলো টুকি থকা অৱস্থাত সেই স্থানত পদ্মাৱতীৰ আগমন ঘটিছিল। কিন্তু তেওঁৰ নয়ন অশ্ৰুসিক্ত হোৱাৰ প্ৰকৃত কাৰণ পদ্মাৱতীক ৰজাই জানিবলৈ দিব বিচৰা নাছিল। নৱ বিবাহিতা স্ত্ৰী এগৰাকীয়ে তেওঁৰ পতিৰ পৰা আটাইতকৈ বেছি আদৰ লাভ কৰিবলৈ বিচাৰে। গতিকে পদ্মাৱতীৰ ক্ষেত্ৰতো সেয়া অতি স্বাভাৱিক। এই ক্ষেত্ৰত তেওঁ যদি জানিব পাৰে যে উদয়নে তেওঁৰ পূৰ্বপত্নীৰ কথা স্মৰণ কৰি অশ্ৰু নিগৰাইছে তেতিয়া নাৰীৰ তুলনাত পদ্মাৱতী যথেষ্ট ধৈৰ্যশীলা আছিল। কিন্তু

যিহেতু স্ত্রীসকল স্বভাৱতেই কাতৰ হৃদয়যুক্তা গতিকে ৰজাৰ অশ্রুপাতৰ কাৰণটো জানিলে পদ্মাৱতীয়েই অন্তৰত ব্যথা অনুভৱ কৰিব সেই কথাত ৰজা নিশ্চিত হৈছিল আৰু অশ্রু পাতৰ প্রকৃত কাৰণটো প্রকাশ কৰিব বিচৰা নাছিল।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

স্বপ্নবাসবদত্তম নামৰ নাটকখনিৰ চতুর্থ অংকটিৰ কেইটিমান দৃশ্যৰ মূল সংস্কৃত পাঠৰ পৰিচয় লাভ কৰিলে। উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদসমূহো স্পষ্টৰূপত এই অধ্যায়তেই আয়ত্ব কৰিব পাৰিলে। নাটকখনিৰ হাস্যৰসত অৰিহনা আগবঢ়োৱা বিদূষক চৰিত্রটিৰ লগতো এই অংকত পৰিচয় লাভ কৰিলে। তদুপৰি এই অংকত থকা শ্লোক কেইটিমানৰ ব্যাখ্যাৰ আৰ্হিও লাভ কৰিলে।



৪.৭ অধিক জানিবলৈ

১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্রাজ ঃ ভি. ৰামস্বামী সস্তুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৰ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্রাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শর্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বাসবদত্তা আৰু চেটীৰ সৈতে।

২ নং প্রশ্নৰ উত্তৰঃ চেটীয়ে।

৩ নং প্রশ্নৰ উত্তৰঃ স্বামী উদয়নৰ প্রতি থকা পক্ষপাতিত্বৰ বাবে।

৪ নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰঃ বিদূষকৰ সৈতে।

৬ নং প্রশ্নৰ উত্তৰঃ কাশপুষ্পৰ ৰেণুসমূহ চকুত পতিত হোৱাৰ বাবে।

৭ নং প্রশ্নৰ উত্তৰঃ বাসবদত্তা আৰু পদ্মাৱতীৰ ভিতৰত কোনগৰাকী ৰজাৰ অধিক প্রিয়?

৮ নং প্রশ্নৰ উত্তৰঃ চতুর্থ অংকৰ চতুর্থ শ্লোক।



৪.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ প্রমদবনলৈ প্রথমে কোন কোন স্ত্রীৰ আগমন হৈছিল?

প্রশ্ন ২ঃ ৰজা আৰু বিদূষকৰ আগমন পর্যন্ত সেইসকল স্ত্রীৰ কথা-বতৰাখিনি নিজৰ ভাষাত বর্ণনা কৰক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ২ঃ বিদূষকে ৰজাৰ পৰা কি কথা জানিব বিচাৰিছিল আৰু ৰজাই কিদৰে সেই কথাৰ সমিধান দিছিল থূলমূলকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৩ঃ সমগ্র চতুর্থ অংকটিৰ এটি সাৰাংশ প্রস্তুত কৰক।

প্রশ্ন ৪ঃ নাটকখনৰ তৃতীয় অংকৰ গুৰুত্ব সম্পর্কে চমুকৈ আলোচনা আগবঢ়াওঁক।

*** ***** ***